**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2022
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**HEADLINES**

১। আজি নতুন দিল্লীত আহোম সেনাপতি লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উদযাপনৰ সামৰণী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

২। বীৰ লাচিতৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা লিখন কাৰ্যসূচীৰ সময়সীমা কাইলৈ মাজ নিশা পৰ্যন্ত বৃদ্ধি। এতিয়ালৈকে ৩৮ লাখৰো অধিক লেখা দাখিল।

৩। দেশৰ আন বিভিন্ন অঞ্চলৰ লগতে অসমতো কাইলৈ সংবিধান দিৱসৰ আয়োজন।

৪। ফিফা বিশ্বকাপ প্ৰতিযোগিতাৰ আজি হ'বলগীয়া তিনিখন খেলত ৱেল্‌ছ ইৰাণৰ, কাটাৰ ছেনেগালৰ আৰু নেদাৰলেণ্ডছ ইকুৱেডৰৰ মুখামুখি।

*আৰু*

৫। অকলেণ্ডৰ ইডেন পাৰ্কত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আৰম্ভ।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে কালি লাচিত দিৱস উপলক্ষে দেশবাসীক শুভেচ্ছা জনাই দিয়া এটা বাৰ্তাত কয় যে, অসমৰ আহোম যুগৰ মহান বীৰ সেনাপতি লাচিত বৰফুকনৰ এইবাৰ ৪০০ বছৰীয়া জয়ন্তী আৰু সেয়ে এইবাৰৰ লাচিত দিৱসৰ বিশেষ তাৎপৰ্য আছে। তেওঁ কয় যে জন্মভূমিৰ প্ৰতি থকা প্ৰেম আৰু বীৰত্বই লাচিত বৰফুকনক সকলোৰে হৃদয়ত স্থান দি আহিছে। তেওঁ লগতে লাচিত বৰফুকনক অদ্বিতীয় সাহসৰ প্ৰতীক হিচাপে আখ্যা দি কয় যে সেনাপতিগৰাকীয়ে জন কল্যাণত সৰ্বাধিক গুৰুত্ব দিছিল। উল্লেখযোগ্য যে দেশৰ অজ্ঞাত বীৰসকলক যথোচিত সন্মান দিবলৈ প্ৰধানমন্ত্ৰীয়ে অবিৰতভাৱে প্ৰচেষ্টা চলাই আহিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে দেশত চলিত বৰ্ষটো লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী হিচাপে উদযাপন কৰা হৈছে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত তেতিয়াৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে গুৱাহাটীত এই উদযাপনৰ শুভাৰম্ভ কৰিছিল।

ৰাজ্য চৰকাৰে লাচিত বৰফুকনৰ দেশপ্ৰেম তথা সাহসৰ বিষয়ে দেশবাসীক অৱগত কৰাৰ উদ্দেশ্যে দেশৰ ৰাজধানী নতুন দিল্লীত তিনিদিনীয়া কাৰ্যসূচীৰে এটা অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে এখন প্ৰদৰ্শনী তথা আলোচনাৰো আয়োজন কৰা হয়। অসমৰ জনসাধাৰণে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অনুৰোধ অনুযায়ী লাচিত বৰফুকনলৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে ৰাজ্যজুৰি কালি নিশা মাটিৰ চাকি প্ৰজ্বলন কৰে।

বীৰ লাচিতৰ জয়ন্তীৰ অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কালি কয় যে লাচিত বৰফুকন কেৱল মোগলৰ বিৰুদ্ধে যুঁজত আহোমৰ সেনাপতিয়েই নাছিল, বৰঞ্চ তেওঁৰ সাহস আৰু বীৰত্বই যুগ যুগান্তৰলৈ দেশপ্ৰেমৰ অম্লান নিদৰ্শন ৰাখি গৈছে। তেওঁ কয় যে, দেশৰ পূব প্ৰান্তত লাচিত বৰফুকনে মহা পৰাক্ৰমেৰে যুঁজ দি মোগল সৈন্যক পৰাজিত কৰি কাললৈ খ্যাতি ৰাখি গৈছে। শ্ৰীশ্বাহে লাচিত বৰফুকন সম্পৰ্কীয় গ্ৰন্থসমূহ কমেও ১০টা ভাষালৈ অনুবাদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক

অনুৰোধ জনায়। তেওঁ কয় যে দেশৰ জনসাধাৰণে লাচিত বৰফুকনৰ বীৰত্বৰ বিষয়ে জনা উচিত। গৃহমন্ত্ৰীগৰাকীয়ে ইতিহাসৰ শিক্ষাৰ্থীসকলক দেশৰ বিভিন্ন প্ৰান্তত কমেও ডেৰশ বছৰ ধৰি ৰাজত্ব কৰা ৩০টা ৰাজবংশ সন্দৰ্ভত গৱেষণা কৰিবলৈ পৰামৰ্শ দিয়ে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি গৃহ মন্ত্ৰীগৰাকীয়ে লাচিত বৰফুকন সন্দৰ্ভত এখন তথ্যচিত্ৰও মুকলি কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বীৰ লাচিতৰ সাহসৰ গাঁথা দেশজুৰি প্ৰচাৰ কৰাৰ বাবে গ্ৰহণ কৰা নতুন পদক্ষেপক গৃহ মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে গৃহ মন্ত্ৰীগৰাকীক বীৰ লাচিতৰ প্ৰতিমূৰ্তি আৰু হেংদানেৰে আদৰণি জনোৱা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়েও অংশগ্ৰহণ কৰে।

অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে এই পদক্ষেপৰ জৰিয়তে দেশৰ ১৩০ কোটি লোকে লাচিত বৰফুকনৰ বিষয়ে জানিব পাৰিব। শ্ৰীসোণোৱালে কয় যে নৱ-প্ৰজন্মই লাচিত বৰফুকনৰ বীৰত্ব তথা আদৰ্শৰ জৰিয়তে উৎসাহিত হ'ব।

০০০০০০০০০০

লাচিত বৰফুকনৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি সেনা নায়কগৰাকীৰ বিষয়ে ৰাইজৰ লিখন কাৰ্যসূচীৰ প্ৰতি ৰাইজৰ বিপুল সহাঁৰিলৈ লক্ষ্য ৰাখি লেখা প্ৰেৰণৰ সময়সীমা কাইলৈ মাজ নিশালৈকে বঢ়াই দিয়া হৈছে। উল্লেখযোগ্য যে অংশগ্ৰহণ কৰা লোকৰ সংখ্যাই এতিয়ালৈকে ৩৮ লাখ ৭৩ হাজাৰ অতিক্ৰম কৰিছে। অংশগ্ৰহণকাৰীয়ে নিজৰ পচন্দ অনুসৰি যিকোনো ভাষাত লিখি কাইলৈ নিশা ১২ বজাৰ ভিতৰত অনলাইন বা অফলাইনযোগে জমা দিব পাৰিব। অংশগ্ৰহণকাৰীয়ে সংশ্লিষ্ট জিলা উপায়ুক্তৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়তো লেখা জমা দিব পাৰিব।

০০০০০০০০০০

ৰাজ্যৰ প্ৰতিখন জিলাতে যোৱা ১৮ নৱেম্বৰৰ পৰা মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি ৰূপায়ণ কৰা বিভিন্ন কাৰ্যসূচীৰ প্ৰতি জনসাধাৰণৰ আশাপ্ৰদ সহাঁৰি পৰিলক্ষিত হৈছে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজি অন্তিম দিনৰ কাৰ্যসূচী হিচাপে পুৱা আমিনগাঁৱৰ সংহত উপায়ুক্ত কাৰ্যালয় চৌহদৰ পৰা বীৰ লাচিত প্ৰাইজমাণি হাফ মাৰাথন দৌৰ প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাত দুই শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। সন্ধিয়া ৫ বজাত জিলাখনৰ লাচিত বৰফুকনৰ স্মৃতি বিজড়িত ঐতিহাসিক স্থানসমূহত বন্তি প্ৰজ্বলন কৰা হ'ব।

ধুবুৰীতো পুৱা ১০ বজাৰ পৰা ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত নতুন দিল্লীত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ কেন্দ্ৰীয় অনুষ্ঠানৰ সম্প্ৰচাৰৰ দিহা কৰা হৈছে। সন্ধিয়া ৫ বজাত জিলাখনৰ লাচিত বৰফুকনৰ স্মৃতি বিজড়িত ঐতিহাসিক স্থানসমূহত বন্তি প্ৰজ্বলন কাৰ্যসূচী হাতত লোৱা হৈছে।

০০০০০০০০০০

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কেবিনেট মন্ত্ৰীসকলৰ সৈতে নতুন দিল্লীত কালি গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি মুক্ৰ গাঁৱত অলপতে সংঘটিত হোৱা দুৰ্ভাগ্যজনক গুলীগুলীৰ ঘটনাৰ সম্পৰ্কে আলোচনা কৰে। এটা ভিডিঅ' বাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অপৰাধীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে চি বি আই বা এন আই এৰ দৰে কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ জৰিয়তে ঘটনাটোৰ তদন্ত কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰা হৈছে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ অধীনত তদন্ত কৰাৰ আশ্বাস দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসম-

মেঘালয়ৰ দীৰ্ঘদিনীয়া সীমা সমস্যাৰ সৈতে জড়িত এই অঞ্চলটো তথা অন্যান্য অঞ্চলসমূহত হৈ থকা সমস্যাসমূহৰ মূল কাৰণ সম্পৰ্কে গৃহমন্ত্ৰীগৰাকীক জনোৱা হৈছে।

উল্লেখযোগ্য যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰক্ষীক জনসাধাৰণৰ বসতি থকা অঞ্চলসমূহত আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ কৰোতে সংযত হ'বলৈ নিৰ্দেশ দিছে। শীঘ্ৰেই আৰক্ষী আৰু বন বিভাগলৈ এই ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰি কৰাৰ লগতে সকলো থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকললৈ এই ক্ষেত্ৰত সংবেদনশীল হোৱাৰ বাবে পৰামৰ্শ জাৰি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে এটা টুইটবাৰ্তাত প্ৰকাশ কৰিছে। অসম-মেঘালয় সীমান্তত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ ন্যায়িক তদন্তৰ দায়িত্ব ইতিমধ্যে ৰাজ্যিক কেবিনেটে ন্যায়াধীশ ৰুমী ফুকনক অৰ্পন কৰিছে। ৬০ দিনৰ ভিতৰত তেওঁক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০০০

ৰাষ্ট্ৰপতি ভৱন সাধাৰণ দৰ্শকৰ বাবে অহা ১ ডিচেম্বৰৰ পৰা মুকলি কৰা হ'ব। দৰ্শকসকলে বুধবাৰ, বৃহস্পতিবাৰ, শুকুৰবাৰ, শনিবাৰ আৰু ৰবিবাৰে ৰাষ্ট্ৰপতি ভৱন দৰ্শন কৰিব পাৰিব। ইয়াৰ বাবে পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ ভৱন খোলা থাকিব। ইয়াৰ উপৰি জনসাধাৰণে মঙলবাৰৰ পৰা ৰবিবাৰলৈ ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয় দৰ্শন কৰিব পাৰিব। দৰ্শকসকলে শনিবাৰে পুৱা ৮ বজাৰ পৰা ৯ বজালৈ ৰাষ্ট্ৰপতি ভৱনত চেঞ্জ অৱ গাৰ্ড সমাৰোহো উপভোগ কৰিব পাৰিব। দৰ্শকসকলে এই ৰাষ্ট্ৰপতি ভৱন দৰ্শনৰ বাবে rashtrapatisachivalaya.gov.in/rbtour ৱেবচাইটত অনলাইন বুকিং কৰিব পাৰিব।

০০০০০০০০০০

দেশৰ আন বিভিন্ন অঞ্চলৰ লগতে ৰাজ্য চৰকাৰে কাইলৈ সংবিধান দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে এখন অধিসূচনা যোগে এই বিষয়ে প্ৰকাশ কৰে। এই উপলক্ষে সেইদিনা সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, স্বায়ত্ত শাসিত সংস্থা, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত দিনৰ ১১ বজাত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ নৱেম্বৰত দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া **মন কী বাত** অনুষ্ঠানৰ ৯৫ সংখ্যক খণ্ডৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে নমো এপ বা মাই গভ্ প'ৰ্টেলৰ মুকলি মঞ্চৰ জৰিয়তে নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে ১৮০০-১১-৭৮০০ শুল্কবিহীন নম্বৰত ফোন কৰি হিন্দী বা ইংৰাজী ভাষাত নিজৰ বাৰ্তা বাণীবদ্ধ কৰিব পাৰিব। ফোন লাইনসমূহ ২৫ নৱেম্বৰলৈ খোলা থাকিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছড কল দিয়াৰ পাছত এছ্ এম এছ্ জৰিয়তে লাভ কৰা লিংকৰ মাধ্যমেৰেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাইলৈ নিশা ৮ বজাত প্ৰচাৰ হ'বলগীয়া ফোন ইন দৃষ্টিপাত অনুষ্ঠানত স্তনৰ কৰ্কট ৰোগ আৰু সজাগতা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানৰ জ্যেষ্ঠ চিকিৎসক ডাঃ আংগীৰস ভট্টাচাৰ্য্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি অতিথিগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নিয়মীয়া অভিনয় শিল্পীৰ বাবে অহা ২০, ২১ আৰু ২২ ডিচেম্বৰত কণ্ঠ পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষা ২০২০ চনৰ মাৰ্চ মাহলৈকে আবেদন জমা দিয়া প্ৰাৰ্থীসকলৰ মাজত অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে এই পৰীক্ষাৰ প্ৰৱেশ-পত্ৰ কেন্দ্ৰটোৰ নাট শাখাৰ পৰা সংগ্ৰহ কৰিব লাগিব।

০০০০০০০০০০

চৰকাৰে বিগত ছটা মাহত ২৫ হাজাৰতকৈও অধিক অমৃত সৰোবৰৰ খনন তথা নিৰ্মাণ সম্পূৰ্ণ কৰিছে। অমৃত সৰোবৰ অভিযানৰ অধীনত অহা ১৫ আগষ্টৰ ভিতৰত ৫০ হাজাৰটা অমৃত সৰোবৰৰ খনন তথা নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ তথ্য অনুসৰি, অমৃত সৰোবৰ খননৰ বাবে বিগত ১৭ নবেম্বৰ পৰ্য্যন্ত ৯০ হাজাৰ ৫৩১ খন ঠাই চিনাক্ত কৰি উলিওৱা হৈছে আৰু ইয়াৰে ৫২ হাজাৰ ২৪৫ খন ঠাইত ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ২৪ এপ্ৰিলত অমৃৎ সৰোবৰ অভিযান মুকলি কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান অনুসৰি, দেশৰ গাঁও অঞ্চলসমূহত পানীৰ অভাৱ দূৰ কৰিবলৈ প্ৰতিখন জিলাতে আজাদী কা অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি চলিত বৰ্ষত ৭৫ টাকৈ অমৃত সৰোবৰ খনন কৰাৰ কাৰ্য্যসূচী হাতত লোৱা হৈছে।

০০০০০০০০০০

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৮ নৱেম্বৰত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বৈঠকখনত শিশু শ্ৰমিক, শিশু নিৰ্যাতন, ভিক্ষাবৃত্তি, শিক্ষা, স্বাস্থ্য আদি বিষযত শিশুৰ অধিকাৰ খৰ্ব সম্পৰ্কীয় যিকোনে ওজৰ আপত্তি আয়োগৰ ওচৰত দাখিল কৰিব পাৰিব। জিলাখনৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত হ'বলগীয়া বৈঠকখনত দাখিলকৃত সমস্যাসমূহ বিভাগীয় কৰ্তৃপক্ষই সমাধান কৰিব।

০০০০০০০০০০

কাটাৰত অনুষ্ঠিত ফিফা বিশ্বকাপ প্ৰতিযোগিতাত আজি তিনিখন খেল অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ৩ বজাত গ্ৰুপ-বি-ৰ এখন খেলত ৱেল্চ আৰু ইৰাণ মুখামুখি হ'ব।

গ্ৰুপ-এ-ৰ আন এখন খেলত সন্ধিয়া চাৰে ৬ বজাত কাটাৰে ছেনেগালৰ মুখমুখি হোৱাৰ বিপৰীতে নিশা চাৰে ৯ বজাত নেদাৰলেণ্ডছ ইকুৱেডৰৰ মুখামুখি হ'ব।

আনহাতে, কালি নিশা দোহাত প্ৰতিযোগিতাৰ গ্ৰুপ-এইছৰ এখন ৰোমাঞ্চকৰ খেলত পৰ্টুগালে ঘানাক ৩-২ ব্যৱধানত পৰাজিত কৰে। পৰ্টুগালৰ অধিনায়ক ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে প্ৰতিযোগিতাৰ প্ৰথমখন খেলতেই গল কৰি বিশ্ব অভিলেখ গঢ়ে। ৰোণাল্ডোৱে ২০০৬, ২০১০, ২০১৪, ২০১৮ আৰু ২০২২কে ধৰি ৫খন বিশ্বকাপত গল কৰা বিশ্বৰ প্ৰথমজন ফুটবল খেলুৱৈ হিচাপে পৰিগণিত হয়।

গ্ৰুপ-জি-ৰ আন এখন খেলত ব্ৰাজিলে চাৰ্বিয়াক ২-০ ব্যৱধানত পৰাজিত কৰি অভিযান আৰম্ভ কৰে। ইপিনে, উৰুগুৱে আৰু দক্ষিণ কোৰিয়াৰ মাজৰ খেলখন গলশূন্যভাৱে অমীমাংসিত হৈ ৰয়।

আনহাতে, গ্ৰুপ-জি-ৰ প্ৰথমখন খেলত ছুইজাৰলেণ্ডে কেমৰুণক ১-০ৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০০০০০০

অকলেণ্ডৰ ইডেন পাৰ্কত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি নিউজিলেণ্ডে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিঙৰ সিদ্ধান্ত লয়। ভাৰতে প্ৰথম বেট ধৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ২৮ অভাৰত ২টা উইকেট হেৰুৱাই ১৪২ ৰাণ সংগ্ৰহ কৰিছে।

উল্লেখযোগ্য যে অধিনায়ক ৰোহিত শৰ্মা আৰু উপ-অধিনায়ক কে এল ৰাহুল অনুপস্থিতিত শিখৰ ধাৱনে এদিনীয়া দলটোক নেতৃত্ব দিছে।

শৃংখলাটোৰ দ্বিতীয়খন খেল পৰহিলৈ হেমিলটনৰ ছেডন্ পাৰ্কত আৰু তৃতীয় তথা অন্তিমখন খেল ৩০ নৱেম্বৰত খ্ৰাইষ্টচাৰ্চৰ হেগ্লে অ'ভেলত খেলোৱা হ'ব।

oooooooooo

নগাঁৱৰ ফৌজদাৰী পট্টী নিবাসী তথা অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ দুৰ্গেশ্বৰ কছাৰীৰ হৃদৰোগত আক্ৰান্ত হৈ আজি পুৱতি নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ।

oooooooooo

বীৰ যোদ্ধা লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লাচিত বৰফুকনৰ দৰে বীৰ যোদ্ধা নাথাকিলে আজি ভাৰতত উত্তৰ পূৰ্বাঞ্চল নাথাকিলেহেতেন বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। এই সম্পৰ্কীয় এটা বাতৰি আজি প্ৰকাশিত আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ডেৰগাঁৱত পুলিচ একাডেমি লাচিত বৰফুকনৰ নামত উৎসৰ্গা কৰাৰ কথা ঘোষণা কৰে। এই বাতৰিটোক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নতুন দিল্লীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে লাচিত দিৱস পালন কৰা হয়। আজি প্ৰকাশিত **দৈনিক অসম, দৈনিক অগ্ৰদূত, আমাৰ অসম আৰু দৈনিক জনমভূমি কাকতে** এই সম্পৰ্কে ভিন ভিন বাতৰি প্ৰকাশ কৰিছে। অসম-মেঘালয় সীমান্তত সংঘটিত সংঘৰ্ষক কেন্দ্ৰ কৰি কালি নতুন দিল্লীত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড্ চাংমাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি ঘটনাৰ তদন্তৰ দায়িত্ব এটা কেন্দ্ৰীয় সংস্থাক অৰ্পণ কৰিবলৈ অনুৰোধ জনায়। এই বাতৰিটো **অসমীয়া প্ৰতিদিন কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দুয়ো ৰাজ্যৰ মাজৰ সীমা সমস্যা সমাধানৰ উদ্দেশ্যে কালি নেছ'ৰ উদ্যোগত আছু আৰু খাছি ছাত্ৰ সন্থাৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত মাদক দ্ৰব্যৰ চোৰাং বেহাকে আদি কৰি বৃদ্ধি পোৱা আন সমস্যাসমূহৰ সমাধানৰ অৰ্থে আৰক্ষী প্ৰধানসকলে আৰক্ষী প্ৰশাসনৰ মাজত সহযোগিতা বৃদ্ধিৰ বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দিল্লীৰ ঐতিহাসিক জামা মছজিদ প্ৰশাসনে মছজিদত মহিলাৰ প্ৰৱেশ নিষিদ্ধ সম্পৰ্কীয় বিতৰ্কিতমূলক আদেশ প্ৰত্যাহাৰ কৰিবলৈ সন্মত হৈছে। এই বাতৰিটো দ্যা চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিত আছে - গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়- অৱশেষত বেদখলমুক্ত হ'ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূমি, দুদিনত দুই মহাশক্তিৰ পতনে নতুন নতুন চিন্তাৰ খোৰাক দিছে কাটাৰে, পুনৰ গ্ৰাহকক মাধমাৰ এ পি ডি এচ এলৰ- ইউনিটত ৭৯ পইচাকৈ বিদ্যুৎ মাচুল বৃদ্ধি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooooo

**সমাপ্ত**